জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০৩/২০২০

চৰাইদেউ জিলাত ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিৰোধকল্পে লোৱা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# কৃষকৰ উৎপাদন দুগুণ কৰাৰ লক্ষ্যৰে উপায়ুক্তসকলে শীঘ্ৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ এপ্ৰিল ঃ** কৃষকৰ উৎপাদন দুগুণ কৰাৰ লক্ষ্যৰে সংশ্লিষ্ট বিভাগসমূহক লগত লৈ তৎপৰতাৰে কৰ্মপথাৰত নিয়োজিত হ'বলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চৰাইদেউ জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে। নিয়মিতভাৱে কৃষি অৰ্থনীতিৰ লগত সম্পৰ্কিত বিভাগসমূহৰ সৈতে বৈঠকত মিলিত হ'বলৈ উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়াৰ লগতে কৃষি বিভাগৰ তৃণমূল পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলে কৃষকৰ মনোবল বৃদ্ধিৰ লগতে সামাজিক দূৰত্ব বৰ্তাই ৰাখি অধিক উৎপাদনশীল কৃষি কাৰ্যত কৃষকসকল নিয়োজিত হ'ব পৰাকৈ উপযুক্ত পৰিৱেশ গঢ় দিয়াৰ ক্ষেত্ৰত যাৱতীয় পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্দেশ দিয়ে। ক'ভিড-১৯ ৰ সংক্ৰমণ ৰোধৰ বাবে চৰাইদেউ জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী পৰ্যালোচনা কৰাৰ বাবে আজি চৰাইদেউ জিলাৰ উপায়ুক্ত কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত এক বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই জিলাখন অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ সীমান্তৱৰ্তী হোৱা বাবে সীমান্তত তীক্ষ্ণ নজৰ ৰাখিব লাগিব। সীমান্তৱৰ্তী এলেকাকে ধৰি জিলাখনৰ প্ৰতিটো দুখীয়া পৰিয়ালে চৰকাৰে আগবঢ়োৱা সুবিধাসমূহ যাতে নিশ্চিতৰূপত লাভ কৰে সেই দিশতো দৃষ্টি ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে চৰাইদেউ জিলাৰ যোগান ব্যৱস্থাৰো বুজ লয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰতি তিনি দিনৰ অন্তৰে অন্তৰে জিলাৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীৰ সৈতে বৈঠকত মিলিত হৈ লক্-ডাউন কাৰ্যসূচী সফল কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনাৰ ভিত্তিত যিবোৰ শিথিলতা দিয়া হৈছে সেই ক্ষেত্ৰত সামাজিত দূৰত্ব বজাই ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো বিভাগৰে কাম-কাজ পৰ্যালোচনা কৰি দলীয় মনোভাৱেৰে কাম কৰিবলৈ সকলোকে আহ্বান জনায়। ক'ভিড-১৯ ৰ সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত সন্মুখৰ পৰা নেতৃত্ব দি অহা স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক উৎসাহিত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে কয়। চাহ বাগিচাসমূহত যাতে সামাজিক দূৰত্ব বজাই ৰাখি কাম-কাজসমূহ চলাই নিয়ে সেয়া সুনিশ্চিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে। পৰ্যালোচনামূলক বৈঠকত জিলা উপায়ুক্তগৰাকীয়ে এতিয়ালৈকে জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহ মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই পৰ্যালোচনামূলক বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদদ্বয় ক্ৰমে তপন কুমাৰ গগৈ আৰু কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে নৱনীতা সন্দিকৈ, কুশল দুৱৰী আৰু বিমল বৰা, উপায়ুক্ত পলাশ ৰঞ্জন ঘৰফলীয়া, আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে চৰাইদেউ জিলাৰ সোণাৰী ৰজাপুখুৰীস্থিত সোণাৰী মহকুমা অসামৰিক চিকিৎসালয়ৰ নৱনিৰ্মিত আছুতীয়া কক্ষ পৰিদৰ্শন কৰাৰ উপৰি স্বাস্থ্য বিভাগে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৱলীৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগৰ চিকিৎসক, নাৰ্ছৰ লগতে স্বাস্থ্য কৰ্মীসকলৰ লগতো মত-বিনিময় কৰে। উল্লেখ্য যে জিলাখনত যোৱা ১৩ মাৰ্চৰ পৰা হোম কুৱাৰেণ্টাইনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**জঃমাঃ / পুঃডেঃ / বীঃগঃ**
**২৩/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in